ী

াবেই
শে গতি

দিৰা গান্ধী

# অসম আদিত্য

RNI R
Portal
e-mail
লি
পা

্যা ১৭ ■ ৪ মাঘ, ১৯৪৫ শক ■ শুকুৰবাৰ, ১৯ জানুৱাৰী, ২০২৪ ■ Asom Aditya, Dibrugarh, Friday, January 19, 2024 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহাটীৰ পৰ

## ড° শশীকান্ত শইকীয়াক চৈয়দ আব্দুল মালিক সোঁৱৰণী সন্মান

**ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ১৮ জানুৱাৰী ঃ** অসম শিল্পী কাননৰ লাহোৱাল আঞ্চলিক সমিতিৰ উদ্যোগত অনুষ্ঠিত হোৱা শিল্পী দিৱসত কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ শশীকান্ত শইকীয়াক চৈয়দ আব্দুল মালিক সোঁৱৰণী সন্মান প্ৰদান কৰা হয়। অসম শিল্পী কানন কেন্দ্ৰীয় সমিতিৰ সম্পাদক প্ৰধান মৃদুপৱন বৰা, সাংগঠনিক সম্পাদক মুৰুলী কাকতি, শিৱসাগৰ জিলা শিল্পী কাননৰ সাধাৰণ সম্পাদক হোমেন দুৱৰা, শিৱসাগৰ জিলা সাহিত্য সভাৰ প্ৰচাৰ সম্পাদক অভিনৱ দত্ত, লাহোৱাল আঞ্চলিকৰ সভাপতি বিন্দু গগৈ, সম্পাদিকা তৃষণা দত্ত বৰুৱা, সাংস্কৃতিক সম্পাদক মাধুৰ্য বৰুৱা, কোষাধ্যক্ষ জ্যোতি প্ৰসাদ চেতিয়া প্ৰমুখ্যে দুই শতাধিক গণ্য-মান্য ব্যক্তিৰ উপস্থিতিত ড০ শইকীয়াক মান-পত্ৰ, চেলেং চাদৰ, গামোচা, স্মাৰক চিহ্ন, গ্ৰন্থ আদিৰে উক্ত সন্মান প্ৰদান কৰা হয়। উল্লেখ্য যে ২৩ ডিচেম্বৰ ২০২৩ৰ দিনা নগাঁৱৰ নেহৰুবালিত অনুষ্ঠিত হোৱা কেন্দ্ৰীয় ৰাস মহোৎসৱ আৰু সাংস্কৃতিক সমাৰোহত ড০ শইকীয়াক উক্ত সন্মান প্ৰদান কৰাৰ বাবে নিমন্ত্ৰণ কৰা হৈছিল যদিও উক্ত দিনা বিশেষ অসুবিধাৰ বাবে উপস্থিত থাকিব নোৱাৰাত কেন্দ্ৰীয় সমিতিয়ে লাহোৱাল আঞ্চলিকৰ উদ্যোগত অনুষ্ঠিত হোৱা শিল্পী দিৱসৰ দিনা এই সন্মান প্ৰদান কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰিছিল। উল্লেখ্য যে লাহোৱাল আঞ্চলিক সমিতিৰ অনুষ্ঠানত বিভিন্ন প্ৰতিযোগিতা আৰু বাৰেৰহণীয়া সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হয়।